অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/৪/২২-২৩
Ref :

তাৰিখ : ১৭-০৫-২০২২
Date :

## অসম জাতীয় বিদ্যালয়ত মহাপুৰুষ দিৱস পালন

**গুৱাহাটী, ১৭ মে', ২০২২ :** মহাপুৰুষ মাধৱদেৱৰ ৫৩৩সংখ্যক আৱিৰ্ভাৱ তিথিৰ সৈতে সংগতি ৰাখি আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত মহাপুৰুষ দিৱস পালন কৰা হয়। অসমীয়া সমাজ-সংস্কৃতিৰ গুৰি ধৰোতা চাৰিগৰাকী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনোৱাৰ উদ্দেশ্যে তথা মহাপুৰুষসকলৰ আদৰ্শ আৰু কৰ্মৰাজি শিক্ষাৰ্থীসকলক অৱগত কৰাবৰ বাবে এই দিৱস পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে গুৰুসকলৰ প্ৰতি শ্ৰদ্ধাৰে শৰাই স্থাপন কৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী সোণালী গগৈয়ে। দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে দশম শ্ৰেণীৰ শিক্ষাৰ্থী আনতাৰা মুবাছছিৰা হক খন্দকাৰে। বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী গায়ত্ৰী শইকীয়াই দামোদৰদেৱৰ জীৱন আৰু কৰ্মৰ বিষয়ে চমুকৈ আলোকপাত কৰে। আনহাতে অসমীয়া বিভাগৰে শিক্ষয়িত্ৰী ববীস্মিতা শইকীয়াই মাধৱদেৱৰ অনুপম সৃষ্টি 'নামঘোষা'ৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানতে মহাপুৰুষ দিৱস উপলক্ষে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত আয়োজন কৰা ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহো প্ৰদান কৰা হয়। সপ্তম-অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত আয়োজিত 'মাধৱদেৱৰ জীৱন আৰু কৰ্ম' শীৰ্ষক ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে অষ্টম শ্ৰেণীৰ প্ৰজ্বলিতা বড়াই। দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে অষ্টম শ্ৰেণীৰ ঋতুমল্লিকা গোস্বামী আৰু ঋষিকেশ শৰ্মাই। আনহাতে নৱম-দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত আয়োজিত 'অসমীয়া নাট্য সাহিত্য আৰু শংকৰদেৱৰ অৱদান' শীৰ্ষক ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে নৱম শ্ৰেণীৰ সাক্ষী প্ৰিয়ম্বদাই। দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে নৱম শ্ৰেণীৰ বসুধা সঞ্জয় আৰু দশম শ্ৰেণীৰ টিনা চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক, শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকলে নাম-প্ৰসংগ পৰিৱেশন কৰাৰ লগতে একাংশ শিক্ষাৰ্থীয়ে দলীয় বৰগীত, কামৰূপী লোকগীতো পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মহাপুৰুষ দিৱসৰ আহ্বায়িকা তথা ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী পল্লৱী দত্তই। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে হিন্দী বিভাগৰ শিক্ষয়িত্ৰী হিমাশ্ৰী ডেকাই।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়